# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date : 11-02-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও কাৰ্যসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীগৰাকী প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। মৰাণত তেওঁ সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ **ৰান্‌ৱে ই এল এফ,** ৰাষ্ট্ৰৰ প্ৰতি উৎসৰ্গা কৰিব। উল্লেখযোগ্য যে মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। প্ৰধানমন্ত্ৰীয়ে মৰাণত যুঁজাৰু বিমানৰ কৌশল প্ৰদৰ্শন উপভোগ কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব। প্ৰধানমন্ত্ৰীয়ে ইয়াৰ পাছতে আয়োজিত এখন জনসভাত ভাষণ দিব।

শ্ৰী মোদী ইয়াৰ পাছত গুৱাহাটীলৈ আহিব আৰু তেওঁ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান - আই আই এমৰ অস্থায়ী চৌহদৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বাবে **১০০ খন বৈদ্যুতিক বাছ** মুকলি কৰিব।

প্ৰধানমন্ত্ৰীৰ অসম আগমণৰ পূৰ্বে আজি সন্ধিয়া মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কুমাৰ ভাস্কৰ বৰ্মা সেতুত উপস্থিত হৈ ফেচবুক লাইভযোগে নৱ নিৰ্মিত দলংখনৰ বিষয়ে জনসাধাৰণক অৱগত কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীয়ে কয় যে উদ্বোধনৰ পাছত ১ মাৰ্চলৈকে দলংখনেৰে যান বাহনৰ চলাচল বন্ধ থাকিব। পহিলা মাৰ্চৰ পৰা দলঙখনেৰে বাহন চলাচল কৰিব পাৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

ooooo

ভোটদাতাসকলে নিৰ্বাচনী পঞ্জীয়ন বিষয়াৰ কোনো সিদ্ধান্ত মনপুত নহ'লে ১৫ দিনৰ ভিতৰত জিলা দণ্ডাধীশৰ ওচৰত আবেদন জনাব পাৰিব। ইয়াৰ পাছতো সন্তুষ্ট নহলে ৩০ দিনৰ ভিতৰত মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দ্বিতীয় আবেদন দাখিল কৰিব পৰা যাব বুলি ৰাজ্যৰ মুখ্য নিৰ্বাচন আয়ুক্ত অনুৰাগ গোৱেলে আজি গুৱাহাটীত এখন সংবাদমেলত সদৰি কৰে।

বাইট ঃ গোৱেল

ৰাজ্যত কালি প্ৰকাশ পোৱা বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা সন্দৰ্ভত মত প্ৰকাশ কৰি মুখ্য নিৰ্বাচন আয়ুক্তগৰাকীয়ে মাৰ্চৰ প্ৰথম সপ্তাহৰ ভিতৰত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব পাৰে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে এইবছৰৰ ১ জানুৱাৰীক ভিত্তি তাৰিখ হিচাপে লৈ প্ৰকাশিত বিশেষ সংশোধিত চূড়ান্ত ভোটাৰ তালিকা অনুসৰি ৰাজ্যখনত মুঠ ভোটদাতাৰ সংখ্যা হৈছে ২ কোটি ৪৯ লাখ ৯৮ হাজাৰ ১৩৯। ৰাজ্যত ভোটদাতাৰ সংখ্যা খচৰা ভোটাৰ তালিকাতকৈ ২ লাখ ৪৩ হাজাৰ ৪৮৫ হ্ৰাস পাইছে।

ooooo

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি বজালী, বৰপেটা আৰু নলবাৰী জিলাৰ উদ্যোগীসকলক প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। নলবাৰীৰ জিলা ক্ৰীড়া ষ্টেডিয়াম চৌহদত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে ৰাজ্যৰ যুৱক-যুৱতীসকলৰ মাজত উদ্যমশীলতাৰ মনোভাৱ বৃদ্ধি কৰি তেওঁলোকক স্বাৱলম্বী কৰি তোলাৰ ওপৰত চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। আজিৰ অনুষ্ঠানত বজালী জিলাৰ এহেজাৰ ২০৬ গৰাকী, বৰপেটাৰ দুহেজাৰ ৩৬২ গৰাকী আৰু নলবাৰীৰ দুহেজাৰ ২২০ গৰাকীকে ধৰি মুঠ ৫ হাজাৰ ৭৮৮ গৰাকী যুৱক-যুৱতীক আঁচনিৰ ধন প্ৰদান কৰা হয়। সাধাৰণ শাখাৰ উদ্যোগীসকললৈ দুই লাখ টকাকৈ আৰু বৃত্তিগত শাখাৰ উদ্যোগীসকললৈ  ৫ লাখ টকাকৈ সাহায্য আগবঢ়োৱা হৈছে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানতে নলবাৰী সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, অভিৰৰ্তন কেন্দ্ৰ, জিলা ষ্টেডিয়াম আৰু অসম এথলেটিক্স সন্থাৰ উদ্যোগত ৰাজ্যখনত স্থাপন কৰা প্ৰথমখন এথলেটিক একাডেমী মুকলি কৰে।

ooooo

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগে মেঘালয়ৰ পূৱ জয়ন্তীয়া পাহাৰ জিলাৰ থাংস্কু এলেকাৰ এটা অবৈধ কয়লা খনিত হোৱা বিস্ফোৰণত কেইবাজনো শ্ৰমিক নিহত হোৱা ঘটনা সংক্ৰান্তত নিজাববীয়াকৈ গোচৰ ৰুজু কৰিছে। আয়োগে মেঘালয়ৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক বিষয়টো সন্দৰ্ভত দুসপ্তাহৰ ভিতৰত বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে। প্ৰাপ্ত বাতৰি মতে এই ঘটনাৰ ফলত আন কেইবাজনো শ্ৰমিক আৱদ্ধ হৈ আছে। আয়োগে কৈছে যে যদিহে এই বাতৰি সত্য তেন্তে ভুক্তভোগীসকলৰ মানৱ অধিকাৰ উলংঘাৰ বিষয়টো স্পষ্ট হৈছে। মুখ্য সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে দাখিল কৰিবলগীয়া প্ৰতিবেদনত উদ্ধাৰ অভিযানৰ স্থিতি, শোকসন্তপ্ত পৰিয়ালসমূহলৈ আগবঢ়োৱা ক্ষতিপূৰণ, আৰক্ষীৰ তদন্ত  আৰু ভৱিষ্যতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি ৰোধ কৰাৰ বাবে কৰ্তৃপক্ষসমূহে লোৱা পদক্ষেপ আদি বিষয় সামৰি লোৱাৰ সম্ভাৱনা আছে।

ooooo

টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ চিৰ এখন খেলত ৱেষ্ট ইণ্ডিজে - ইংলেণ্ডক জয়ৰ বাবে ১৯৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৯৬ ৰান সংগ্ৰহ কৰে। আমালৈ বাতৰি অহাৰ পৰলৈ ইংলেণ্ডে ৬ অভাৰত এটা উইকেট হেৰুৱাই ৬৭ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে আজি কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই আয়াৰলেণ্ডক ৬৭ ৰানত পৰাস্ত কৰে।

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ দিৰ আন এখন ৰোমাঞ্চকৰ খেলত দক্ষিণ আফ্ৰিকাই আফগানিস্তানক চুপাৰ অভাৰৰ সহায়ত পৰাভূত কৰে।

ooooo

**ঃঃ সমাপ্ত ঃঃ**